জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ১৭৯/২০২২

## অষ্টম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

# যোগ হৈছে ভাৰতীয় প্ৰাচীনতম সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২১ জুন ঃ** আয়ুষ সঞ্চালকালয় আৰু ৰাষ্ট্ৰীয় আয়ুষ অভিযান, অসম তথা ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত আজি ডিব্ৰুগড়ৰ চৌকিডিঙী খেলপথাৰত আয়োজিত ৮ম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ ৰাজ্যিক কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশ গ্ৰহণ কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজন কৰা যোগাভ্যাসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰীয়ে অংশ লয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে যোগ হৈছে ভাৰতীয় প্ৰাচীনতম সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এখন স্বাস্থ্যৱান বিশ্বৰ বাবে পোনপ্ৰথমবাৰৰ বাবে আন্তৰ্জাতিক মঞ্চত যোগৰ প্ৰয়োজনীয়তাৰ কথা তুলি ধৰিছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ২০১৪ চনৰ ২৭ ছেপ্টেম্বৰত প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদত সাৰগৰ্ভ ভাষণৰে যোগে মানৱৰ স্বাস্থ্য আৰু মনক কিদৰে প্ৰভাৱিত কৰি সুস্থ শৈলীৰে জীৱন যাপন কৰিব পাৰি, সেই কথা ব্যক্ত কৰিছিল। ২০১৪ চনৰ ১১ ডিচেম্বৰত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে ২১ জুনৰ দিনটো আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস হিচাপে ঘোষণা কৰে । ইয়াৰ ফলত ভাৰতীয় ঐতিহ্য আৰু পৰম্পৰাই এক বিশ্বজনীন স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

তেওঁ কয় যে যোগাভ্যাস, প্ৰাণায়াম আৰু আৰ্য়ুবেদত উল্লেখিত কিছুসংখ্যক খাদ্যই যে আমাৰ শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰিব পাৰে, সেই কথা বিশ্বই পুনৰবাৰ উপলব্ধি কৰিবলৈ বাধ্য হৈছে। যোগ দিৱসৰ প্ৰাসংগিতা দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে। যোগ শৰীৰ আৰু আত্মাৰ মিলন সাধনেৰে প্ৰাকৃতিকভাৱে সকলো দিশতে উৎকৰ্ষতা লাভ কৰা এক সৰল প্ৰক্ৰিয়া বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যোগে প্ৰাণৰ সঞ্চাৰ কৰে, মন আৰু শৰীৰ সন্তুলিত কৰি সকলোকে আধ্যাত্মিকভাৱে সবল কৰি সকলো দিশতে ইতিবাচক দৃষ্টিভংগীৰ উন্মেষ সাধন কৰে। তেওঁ কয় যে যোগ হ'ল শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক যোগসূত্ৰ স্থাপনৰ এক মাধ্যম। আধুনিক সভ্যতাৰ বিভিন্ন মানসিক চাপসমূহৰ সৈতে সহজতে মোকাবিলা কৰাত যোগে উত্তম প্ৰতিৰোধ ক্ষমতা গঢ়ি তোলাত সহায় কৰে বুলিও তেওঁ কয়। তেওঁ লগতে কয় যে যোগ আৰু সুখৰ মাজত এক অপূৰ্ব সম্বন্ধ আছে। মানুহ সুখী হোৱাৰ ক্ষেত্ৰত যোগে বিধান দিয়ে। তেওঁ কয় যে যোগ হৈছে এক বিজ্ঞান। সেইবাবে বিশ্বব্যাপী সাৰ্বজনীনতা সম্ভৱ হৈ পৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

আয়ুষ মন্ত্ৰালয়ে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ পূৰ্বে সমগ্ৰ দেশতে যোগক অধিক জনপ্ৰিয়কৰণৰ বাবে ১০০ দিনীয়া কাৰ্যসূচী লোৱা পদক্ষেপ নিতান্তই প্ৰশংসনীয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আজি বিশ্ব সম্প্ৰদায়ে যোগৰ গুৰুত্ব আৰু মহত্ত্বক উপলব্ধি কৰাৰ পৰিপ্ৰেক্ষিতত ভাৰতবৰ্ষত যোগক অধিক

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

গুৰুত্ব প্ৰদানৰ সময় আহি পৰিছে। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালক যোগক জনপ্ৰিয়কৰণৰ দিশত লোৱা পদক্ষেপৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে নতুন প্ৰজন্মক সুস্থভাৱে গঢ় দিব নোৱাৰিলে এখন শক্তিশালী ৰাষ্ট্ৰ আৰু এখন শক্তিশালী ৰাজ্য গঠন কৰিব নোৱাৰি। ইয়াৰ বাবে যুৱ প্ৰজন্মৰ মানসিক আৰু শাৰীৰিক বিকাশ সাধন কৰিব লাগিব। তেতিয়াহে উন্নয়নৰ প্ৰক্ৰিয়াটো অধিক ত্বৰান্বিত হ'ব। তেওঁ কয় যে ইতিমধ্যে ক্ৰীড়া মন্ত্ৰালয়ে যোগৰ সৈতে সংযোগ সাধন কৰিছে। শিক্ষা মন্ত্ৰালয়ে বিদ্যালয়ৰ পাঠ্যক্ৰমত যোগৰ মহত্ত্ব প্ৰদান কৰিছে। শিশু অৱস্থাৰ পৰা যোগ সম্পৰ্কত প্ৰগাঢ় ধাৰণা উন্মেষ কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে যোগৰ জৰিয়তে আমাৰ দেশৰ ঐতিহ্যৰ সমৃদ্ধশালীতাৰ উমান দিব লাগিব। সংগীত, নৃত্যকে ধৰি সকলো কলা, সাহিত্যত যোগৰ অন্তৰ্নীল প্ৰৱাহ আছে। সেই কথা উপলব্ধি কৰাৰ সময় আহিছে। স্বাস্থ্য সন্মত জীৱন যাপন যে ব্যক্তি বিশেষৰ মূল সমল সেই কথা উপলব্ধি কৰিব লাগিব। তেওঁ কয় যে সাম্প্ৰতিক সময়ত ৰাজ্য চৰকাৰে ড্ৰাগছৰ বিৰুদ্ধে যুঁজ দি আহিছে। সেই যুঁজত চামিল হৈ এখন ড্ৰাগছ মুক্ত সমাজ গঢ়াৰ বাবে অভিভাৱকসকলে নিজৰ সন্তানৰ সন্মুখত নিয়মীয়াভাৱে যোগৰ অনুশীলনৰ অভ্যাস গঢ়ি তোলাৰ আদৰ্শ স্থাপন কৰিব লাগিব। তেওঁ লগতে কয় যে ভাৰতীয় সংস্কৃতিৰ শক্তিশালী এই সম্পদৰ গুৰুত্ব বিশ্বজুৰি তুলি ধৰাৰ দায়িত্ব উঠি অহা প্ৰজন্মই বহন কৰিব লাগিব। যুৱক-যুৱতী আৰু ছাত্ৰ-ছাত্ৰীসকলক যোগক জীৱনৰ অংগ হিচাপে গ্ৰহণ কৰাৰ বাবেও মুখ্যমন্ত্ৰী আহ্বান জনায়।

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ মিছন সঞ্চালক ড° এম এছ লক্ষ্মীপ্ৰিয়াই আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত, বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, চক্ৰধৰ গগৈ, তৰংগ গগৈ, পোনাকণ বৰুৱা, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা আৰু ৰাজ্য চৰকাৰৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

**হেঃশঃ**
**২১/০৬/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in